# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 08-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

ooooo

১। ভাৰত আৰু ইণ্ডোনেছিয়াই সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ নিৰ্ণায়ক আৰু সমন্বিত আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাৰ বাবে আহ্বান জনাইছে।

২। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খাৰুৱা তেলৰ মূল্য সুস্থিৰ হ'লে ঘৰুৱা পেট্ৰ'ল-ডিজেলৰ মূল্য সুস্থিৰ হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে।

৩। ভাৰত আৰু বাহৰেইনে পাৰস্পৰিক সহযোগিতা, শক্তিশালী ৰূপত অব্যাহত ৰাখিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মন্তব্য কৰিছে।

৪। এল নিন'ৰ প্ৰভাৱ আৰু দেশৰ বিভিন্ন খণ্ডত জলবায়ু পৰিৱৰ্তনৰ সম্ভাব্য ভাবুকিৰ মোকাবিলা কৰাৰ বাবে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকৰ আহ্বান কৰে। ***আৰু***

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত ছুইজাৰলেণ্ডে কলম্বিয়াক আৰু আৰ্জেণ্টিনাই ইজিপ্তক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ভাৰত আৰু ইণ্ডোনেছিয়াই সকলো ধৰণৰ সন্ত্ৰাসবাদক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ নিৰ্ণায়ক আৰু সমন্বিত আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাৰ বাবে আহ্বান জনাইছে। জাকাৰ্টাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'অ' ছুবিয়াণ্ট'ৰ মাজত হোৱা দ্বিপাক্ষিক আলোচনাৰ পাছত প্ৰকাশ কৰা যুটীয়া বিবৃতিত দুয়োগৰাকী নেতাই ৰাষ্ট্ৰংসঘৰ নিৰাপত্তা পৰিষদৰ অনুমোদনমৰ্মে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদৰ সৈতে জড়িত সংগঠনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। দুয়োগৰাকী নেতাই উগ্ৰবাদী কাৰ্যকলাপ প্ৰতিৰোধ আৰু প্ৰতিহত কৰাৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। এই সহযোগিতাই সন্ত্ৰাসবাদী সংগঠনক বিত্তীয় সাহায্য প্ৰদান, এনে সংগঠনসমূহৰ দ্বাৰা প্ৰযুক্তিৰ অপব্যৱহাৰ ৰোধ কৰা, ডিজিটেল মঞ্চৰ জৰিয়তে অনলাইন মৌলবাদী কাৰ্যকলাপ ৰোধ কৰাকে ধৰি সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ দৃষ্টিভংগীক সামৰি ল'ব। তেওঁলোকে লগতে শীঘ্ৰেই স্বাক্ষৰ হ'বলগীয়া সন্ত্ৰাসবাদ বিৰোধী সহযোগিতা বুজাবুজিৰ চুক্তিৰ কাম আগতীয়াকৈ সম্পূৰ্ণ হোৱাক আদৰণি জনাইছে।

উল্লেখযোগ্য যে ইণ্ডোনেছিয়াৰ সংসদত ভাষণ দিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হৈছে। জাকাৰ্টাত দেশখনৰ আইন প্ৰণেতাসকলক সম্বোধন কৰি শ্ৰীমোদীয়ে দুয়ো দেশৰ গণতান্ত্ৰিক প্ৰমূল্য আৰু প্ৰাচীন ঐতিহ্যৰ অংশীদাৰিত্বৰে দ্বিপাক্ষিক সম্পৰ্কৰ নতুন যুগৰ সূচনা কৰিবলৈ তেওঁলোকক আহ্বান জনায়। তেওঁ ভাৰতৰ অন্যতম আদৰ্শ ব**সুধৈৱা কুটুম্বকম** অৰ্থাৎ সমগ্ৰ বিশ্ব এটা পৰিয়াল আৰু ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰীয় বাণী **ভিন্নেকা তাংগল ইকা** অৰ্থাৎ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ওপৰত

আলোকপাত কৰে। প্ৰধানমন্ত্ৰীয়ে ইণ্ডোনেছিয়াত থকা ভাৰতীয় যুৱ সম্প্ৰদায়ক দেশখনৰ যুৱপ্ৰজন্মক ভাৰতৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ আহ্বান জনায়।

**বাইট (পি এম)**

০০০০০

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খাৰুৱা তেলৰ মূল্য সুস্থিৰ হৈ থাকিলে অথবা হ্ৰাস পালে ঘৰুৱা পেট্ৰ'ল ডিজেলৰ মূল্য সুস্থিৰ হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত অভিৱৰ্তন ২০২৬ত দিয়া ভাষণত শ্ৰীপুৰীয়ে এই বিষয়ে প্ৰকাশ কৰি কয়, যে ভাৰতে কূটনৈতিক যোগাযোগ, সময়োপযোগী নীতিগত হস্তক্ষেপ, বৰ্ধিত ঘৰুৱা উৎপাদন আৰু বৈচিত্ৰ্যপূৰ্ণ আমদানিৰ জৰিয়তে বিগত দশকসমূহত বিশ্বত ইন্ধনৰ ক্ষেত্ৰত সৃষ্টি হোৱা অন্যতম প্ৰত্যাহ্বানমূলক পৰিস্থিতিসমূহৰ সফলতাৰে মোকাবিলা কৰিছে। শক্তি সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী সংস্কাৰৰ গুৰুত্ব এই কথাই প্ৰতীয়মান কৰিছে। বিশ্বজুৰি সৃষ্টি হোৱা ইন্ধনৰ সংকটৰ প্ৰতি চৰকাৰে দিয়া সঁহাৰিৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে সঠিক সময়ত ঘৰুৱা উৎপাদন বৃদ্ধি আৰু যোগান শৃংখলা শক্তিশালী কৰাৰ বাবে ৰন্ধন গেছৰ অবিৰত যোগান নিশ্চিত কৰিছে। তদুপৰি ফলপ্ৰসূ কূটনীতিৰ জৰিয়তে হৰমুজ প্ৰণালীৰে জাহাজ চলাচলত ব্যাঘাত জন্মাৰ সময়তো আৱদ্ধ হৈ পৰা ভাৰতীয় ইন্ধনৰ সুচল সৰবৰাহ সম্ভৱ কৰি তুলিছে। ইৰান, ওমান, কাটাৰ আৰু আৰব আমিৰি ৰাষ্ট্ৰকে ধৰি দেশসমূহৰ সৈতে সৌহাৰ্দপূৰ্ণ যোগাযোগৰ ফলত ভাৰতীয় জাহাজসমূহৰ নিৰাপদ যাতায়াত সম্ভৱ হৈ উঠিছে। শ্ৰীপুৰীয়ে লগতে কয়, যে চৰকাৰে শোধনাগাৰসমূহক অধিক মূল্যৰ অন্য পেট্ৰ'লিয়ামজাত সামগ্ৰীতকৈ ৰন্ধন গেছৰ উৎপাদনত অগ্ৰাধিকাৰ দিবলৈ নিৰ্দেশ দি ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন বৃদ্ধি কৰিছে। ইয়াৰ ফলত ভাৰতৰ ৰন্ধন গেছৰ উৎপাদন ৩৫ হাজাৰ মেট্ৰিকটনৰ পৰা ৫৪ হাজাৰ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰে। এই ব্যৱস্থাৰে দেশৰ ৩৩ কোটিতকৈ অধিক ৰন্ধন গেছৰ গ্ৰাহকক নিৰৱচ্ছিন্নভাৱে গেছৰ যোগান নিশ্চিত কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে পৰম্পৰাগত ইন্ধন যোগানকাৰী উপসাগৰীয় দেশসমূহৰ উপৰি ভাৰতে আমেৰিকা, আলজেৰিয়া, আৰ্জেণ্টিনাকে ধৰি কেইবাখনো দেশৰ পৰা ইন্ধন লাভ কৰিছিল বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বজুৰি সৃষ্টি হোৱা ইন্ধনৰ ভয়াৱহ সংকটৰ পৰিস্থিতিতো ভাৰতে খাৰুৱা তেল, প্ৰাকৃতিক গেছ বা ৰন্ধন গেছৰ ক্ষেত্ৰত নাটনিৰ সন্মুখীন হোৱা নাই।

বাইট

০০০০০

ভাৰত আৰু বাহৰেইনে পাৰস্পৰিক সহযোগিতা, শক্তিশালী ৰূপত অব্যাহত ৰাখিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি দুদিনীয়া বাহৰেইন ভ্ৰমণৰ সামৰণি মাৰে। এই ভ্ৰমণকালত ড০ জয়শংকৰে বাহৰেইনৰ ৰজা হামাদ বিন ইছা অল খালিফা আৰু প্ৰধানমন্ত্ৰী ৰাজকুমাৰ ছলমান বিন হামাদ অল খালিফাৰ উপস্থিতিত এখন সভাত অংশ লয়। তেওঁ দেশখনৰ উপ-প্ৰধানমন্ত্ৰী শ্বেইখ খালিব বিন আব্দুলাহ অল খালিফাৰ সৈতে এখন সুকীয়া বৈঠকত মিলিত হয়। এই বৈঠকসমূহত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিনন্দনসূচক বাৰ্তা তেওঁলোকৰ সৈতে বিনিময় কৰে আৰু দেশখনৰ সৈতে ভাৰতৰ দীৰ্ঘদিনীয়া দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ দেশখনত থকা ভাৰতীয় সম্প্ৰদায়ৰ

লোকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যাণ সুনিশ্চিত কৰাৰ বাবে বাহৰেইনৰ নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰে। ড০ জয়শংকৰে দেশখনৰ বিদেশমন্ত্ৰী ড০ আব্দুল লতিফ বিন ৰাছিদ অল জায়ানিৰ সৈতেও বৈঠকত মিলিত হয়। দুয়োগৰাকী মন্ত্ৰীয়ে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উন্নয়নৰ পাৰস্পৰিক স্বাৰ্থজড়িত দিশসমূহৰ সন্দৰ্ভত মত বিনিময় কৰে। ড০ জয়শংকৰে ২০২৬ৰ পৰা ২০২৭ চনলৈকে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্যৰ দায়িত্ব লাভ কৰি বাহৰেইনে পালন কৰা ভূমিকাক প্ৰশংসা কৰে। তেওঁ দেশখনত থকা ভাৰতীয় লোকসকলৰ সৈতে মত বিনিময় কৰি অৰ্থনৈতিক উন্নয়নৰ লগতে জনসাধাৰণৰ মাজত বন্ধন শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁলোকে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়। উল্লেখযোগ্য যে ড০ জয়শংকৰে ১১ দিনীয়া কাৰ্যসূচীৰে কাটাৰ, বাহৰেইন, কুৱেইট, ওমান, নিউয়ৰ্ক আৰু ব্ৰাছেলছ ভ্ৰমণলৈ গৈছে।

০০০০০

এল নিন'ৰ প্ৰভাৱ আৰু দেশৰ বিভিন্ন খণ্ডত জলবায়ু পৰিৱৰ্তনে সৃষ্টি কৰিব পৰা ভাবুকিৰ মোকাবিলা কৰাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকৰ আহ্বান কৰে। প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব ড০ পি কে মিশ্ৰৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কেইবাগৰাকীও সচিব আৰু কমেও ১৫টা মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰে। ড০ মিশ্ৰই এই বৈঠকত দেশৰ কেইবাখনো জিলাত বাৰিষাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি নাইবা বাৰিষা পলমকৈ অহাৰ ফলত সৃষ্টি হ'ব পৰা পৰিস্থিতি নিৰন্তৰ পৰীক্ষণ কৰি থাকিবলৈ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত ৰাজ্যসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। লগতে সংশ্লিষ্ট জিলাসমূহত পৰ্যাপ্ত খাদ্য যোগান আৰু খোৱাপানীৰ ব্যৱস্থা সুনিশ্চিত কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে। এই ক্ষেত্ৰত মন্ত্ৰালয়সমূহে ৰাজ্যসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি সমস্যাৰ শীঘ্ৰেই সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। এই বৈঠকত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিষয়াসকলে জুন আৰু জুলাইত কালি পৰ্যন্ত হোৱা বৰষুণৰ পৰিমাণ সম্পৰ্কত তথ্য দিয়ে। বতৰ বিজ্ঞান বিভাগৰ সঞ্চালক প্ৰধানে দেশত বৰষুণৰ পৰিমাণ আৰু এল নিন'ৰ সম্ভাব্য প্ৰভাৱ সন্দৰ্ভত দিয়া তথ্য অনুসৰি জুলাইৰ প্ৰথম সপ্তাহটোত স্বাভাৱিক পৰিমাণতকৈ বেছি বৰষুণ হৈছে। বৈঠকত কৃষি বিভাগৰ সচিবে খাৰিফ ঋতুত এল নিন'ৰ সম্ভাব্য প্ৰভাৱৰ জোৰা মাৰিব পৰাকৈ কৃষি ক্ষেত্ৰৰ প্ৰস্তুতি সন্দৰ্ভত ব্যাখ্যা কৰে। একেদৰে খোৱাপানী আৰু অনাময়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, গ্ৰাহক পৰিক্ৰমা আৰু গ্ৰামোন্নয়ন বিভাগেও গ্ৰহণ কৰা প্ৰয়োজনীয় প্ৰস্তুতি সন্দৰ্ভত বৈঠকত জানিবলৈ দিয়ে।

০০০০০

ফিফা বিশ্বকাপ ফুটবলৰ এখন খেলত কালি ছুইজাৰলেণ্ডে পেনাল্টি শুটআউটত কলম্বিয়াক ৪-৩ গ'লত পৰাস্ত কৰি ১৯৫৪ চনৰ পিছত প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। পেনাল্টিৰ পূৰ্বে খেলখনত অতিৰিক্ত সময়ৰ অন্তত দুয়োটা দলে ০-০ গ'লত সমতা স্থাপন কৰিছিল। আন এখন ৰাউণ্ড অৱ ১৬ৰ খেলত আৰ্জেণ্টিনাই আটলান্টাত ইজিপ্তক ৩-২ গ'লত পৰাস্ত কৰে। ৭৮ মিনিটলৈকে আৰ্জেণ্টিনাই দুটা গ'ল পিছ পৰি আছিল যদিও ডিফেণ্ডিং চেম্পিয়ন দলটোৱে খেলৰ ৭৯ মিনিটত প্ৰথমটো গ'ল দিবলৈ সমৰ্থ হয়। এই জয়েৰে আৰ্জেণ্টিনাই প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

ক্ৰিকেটত কালি নিশা নটিংহামৰ ট্ৰেণ্ট ব্ৰীজ ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত-ইংলেণ্ডৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ তৃতীয়খন খেলত ইংলেণ্ডৰ হাতত ১২৫ ৰানৰ

ব্যৱধানত ভাৰত পৰাস্ত হয়। ইংলেণ্ডে নিৰ্ধাৰিত কৰি দিয়া ২০২ ৰানৰ লক্ষ্য খেদি ভাৰতে ১১ অভাৰ আৰু ৪টা বলত ৭৬ ৰান কৰি অল আউট হয়। ইংলেণ্ডৰ হৈ জোছ টংগুৱে ৪টা উইকেট দখল কৰাৰ বিপৰীতে জোফ্ৰা আৰ্চাৰে ৩টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেট ধৰি ইংলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০১ ৰান কৰিছিল। ইংলেণ্ডৰ হৈ ফিলিপ ছল্টে সৰ্বাধিক ৭০ ৰান আৰু ছেম কাৰানে ৪১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰাজকুমাৰ যাদৱ আৰু হৰ্ষিত ৰাণাই ২টাকৈ উইকেট দখল কৰে। জোফ্ৰা আৰ্চাৰক দ্য প্লেয়াৰ অৱ দ্য মেচ শন্মান প্ৰদান কৰা হয়। এই জয়ৰ জৰিয়তে ইংলেণ্ডে ৫খনীয়া ট শৃংখলাত ২-০ পইন্টত আগবাঢ়ি আছে। শনিবাৰে মানচেষ্টাৰত অনুষ্ঠিত হোৱা দ্বিতীয়খন টি-২০ মেচত ইংলেণ্ডে ভাৰতক ৪ উইকেটত পৰাস্ত কৰিছিল। দুয়োপক্ষৰ মাজত অনুষ্ঠিত হোৱা প্ৰথমখন টি-২০ মেচ বৰষুণৰ বাবে অমিমাংসিত হৈ ৰৈছিল। শৃংখলাৰ অন্তিম দুখন মেচ ব্ৰিষ্টল আৰু চাউথম্পটনত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত